# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 14-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, ভাৰতে বিবিধতা আৰু বহুত্ববাদৰ সৈতে এখন সংবদ্ধ ৰাষ্ট্ৰ হিচাপে আগবাঢ়িছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা ৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে লালকিল্লাৰ প্ৰাচীৰত পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে চৰকাৰে দেশক প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰ কৰি তোলাৰ বাবে ভালেমান সংস্কাৰ গ্ৰহণ কৰিছে।

৪। আজি বিভাজন বিভীষিকা স্মৃতি দিৱস। এই দিনটোত ১৯৪৭ চনত ভাৰত বিভাজনৰ সময়ত অমানৱীয় দুখ আৰু কষ্ট ভোগা লোকসকলক স্মৰণ কৰা হয়। *আৰু*

৫। হকী ইণ্ডিয়াই কিংবদন্তি গ'লৰক্ষক পি আৰ শ্ৰীজেশে পৰিধান কৰা ১৬ নম্বৰ জাৰ্ছিটো পুনৰ ব্যৱহাৰ নকৰাৰ কথা ঘোষণা কৰিছে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, ভাৰতে বিবিধতা আৰু বহুত্ববাদৰ সৈতে এখন সংবদ্ধ ৰাষ্ট্ৰ হিচাপে আগবাঢ়িছে আৰু অৰ্জিত সামাজিক বিন্যাসক লৈ মতানৈক্য সৃষ্টি কৰিব পৰা প্ৰবৃত্তিসমূহ প্ৰত্যাখ্যান কৰিছে। স্বাধীনতা দিৱসৰ প্ৰাকসন্ধিয়া আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দি ৰাষ্ট্ৰীপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে দেশৰ সমাজ জীৱনৰ প্ৰতিটো দিশতে অন্তৰ্ভুক্তিৰ ভাৱনা বিয়পি আছে। অন্তৰ্ভুক্তিৰ আহিলা হিচাপে ইতিবাচক কাৰ্য গুৰুত্ব আৰোপ কৰা উচিত বুলি মন্তব্য কৰে। সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ উদ্ধৃতিৰে ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, সামাজিক গণতন্ত্ৰ অবিহনে ৰাজনৈতিক গণতন্ত্ৰ দীৰ্ঘস্থায়ী হব নোৱাৰে। তেওঁ কয় যে, চৰকাৰে সামাজিক ন্যায়ত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে আৰু চৰকাৰে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু সমাজৰ অন্য উপান্ত শ্ৰেণীসমূহৰ বাবে ভালেমান কল্যাণমূলক উদ্যম গ্ৰহণ কৰিছে। এই প্ৰসংগ ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী সামাজিক উত্থান এবং ৰোজগাৰ আধাৰিত জন কল্যাণ আঁচনি আৰু প্ৰধানমন্ত্ৰী জনজাতি আদিৱাসী ন্যায় মহা অভিযানৰ কথা উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, ভাৰতবৰ্ষ ৮ শতাংশৰ বাৰ্ষিক গড় বিকাশ হাৰেৰে বিশ্বত সবাতোকৈ দ্ৰুত বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ অন্যতম হৈ উঠিছে। তেওঁ কয় যে, ইয়াৰ ফলত অকল জনসাধাৰণৰ হাতলৈ অধিক ধন অহাই নহয় বৰং দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যাও চকুত লগা ধৰণে হ্ৰাস পাইছে। ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থা হিচাপে পৰিণত হোৱা বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে অনাগত

সময়ত দেশ বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হ'ব বুলি আস্থা প্ৰকাশ কৰে। খেতিয়ক আৰু শ্ৰমিকসকলৰ কঠোৰ শ্ৰম আৰু নীতি প্ৰণেতাসকলৰ দূৰদৰ্শিতাৰ বাবে এয়া সম্ভৱ হৈ উঠিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, চৰকাৰে চলিত বৰ্ষৰ  জুলাইৰ পৰা ভাৰতীয় ন্যায় সংহিতা প্ৰণয়ন কৰি ঔপনিবেশিক শাসনকালৰ আৰু এটা চিহ্ন নাইকীয়া কৰিছে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে নিজৰ ভাষণত এইবছৰ অনুষ্ঠিত সাধাৰণ নিৰ্বাচনক সৰ্ববৃহৎ নিৰ্বাচনী প্ৰক্ৰিয়া বুলি অভিহিত কৰে। তেওঁ লগতে ত্ৰুটিবিহীন আৰু সূচাৰুৰূপে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে  নিৰ্বাচন আয়োগক অভিনন্দন জনায়। আজি বিভাজন বিভিষিকা স্মৃতি দিৱস পালন কৰাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই দিৱসে আমাক দেশ বিভাজনৰ ভয়াবহতাৰ কথা সোঁৱৰাই দিয়ে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা ৭৮ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে লালকিল্লাৰ প্ৰাচীৰত পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। এইবাৰ স্বাধীনতা দিৱসৰ মূল বিষয়বস্তু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলা। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে, এই উদ্‌যাপনে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে চৰকাৰৰ প্ৰয়াসত নতুন গতি প্ৰদানৰ বাবে মঞ্চ হিচাপে কাম কৰিব।

দেশপ্ৰেমৰ এই উৎসৱত জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ উদ্দেশ্যে এইবেলি প্ৰায় ছহেজাৰ বিশেষ অতিথিক লালকিল্লাৰ অনুষ্ঠান প্ৰত্যক্ষ কৰাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। যুৱ প্ৰজন্ম, জনজাতীয় সম্প্ৰদায়, খেতিয়ক, মহিলা আৰু বিশিষ্ট অতিথি হিচাপে বিভিন্ন ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়োৱা লোকক আমন্ত্ৰণ জনোৱা হৈছে।  সদ্যসমাপ্ত পেৰিছ অলিম্পিকত  ভাগ লোৱা ভাৰতীয় দলকো স্বাধীনতা দিৱসৰ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। তদুপৰি পৰম্পৰাগত সাজ-পাৰ পৰিহিত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰায় দুহেজাৰ লোককো এই অনুষ্ঠান চাবলৈ আমন্ত্ৰণ জনোৱা হৈছে। মাই গভ আৰু আকাশবাণীৰ সহযোগত প্ৰতিৰক্ষা মন্ত্ৰালয়ে আয়োজন কৰা বিভিন্ন অনলাইন প্ৰতিযোগিতাৰ ৩ হেজাৰ বিজেতায়ো অনুষ্ঠানৰ অংশ হ'ব। ইয়াৰ উপৰি সমগ্ৰ দেশৰ বিভিন্ন বিদ্যালয়ৰ মুঠ দুহেজাৰ কেডেটে অনুষ্ঠানত ভাগ ল'ব।

০০০

আকাশবাণীয়ে স্বাধীনতা দিৱস উপলক্ষে কাইলৈ পুৱা ৭ বজাৰ পৰা  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণ আৰু পতাকা উত্তোলন অনুষ্ঠানত চলন্ত বিৱৰণী হিন্দী আৰু ইংৰাজী ভাষাত সলনা-সলনিকৈ প্ৰচাৰ কৰিব। বিবিধ ভাৰতী ৰাষ্ট্ৰীয় সেৱা, বিবিধ ভাৰতী কেন্দ্ৰ, স্থানীয় অনাতাঁৰ কেন্দ্ৰ, সমূহীয়া অনাতাঁৰ কেন্দ্ৰ, এফ এম ৰেইনবো, এফ এম গোল্ড আৰু অন্য এফ.এম চেনেলসহ আকাশবাণীৰ সকলো আঞ্চলিক কেন্দ্ৰই এই চলন্ত বিৱৰণী ৰীলে কৰি শুনাব। আকাশবাণীৰ ইউটিউব চেনেল, আকাশবাণী এ আই আৰ যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীৰ আঞ্চলিক কেন্দ্ৰসমূহে প্ৰধানমন্ত্ৰীৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ কাইলৈ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব।

লালকিল্লাৰ পৰা পোনপতীয়াকৈ প্ৰচাৰ কৰা অনুষ্ঠানৰ পাছত হিন্দী আৰু ইংৰাজী ভাষাৰ মূল বাতৰি প্ৰচাৰ কৰা হ'ব। ইয়াৰ পাছত অন্যান্য বাতৰি বুলেটিনসমূহ প্ৰচাৰ কৰা হ'ব।

০০০

আজি বিভাজন বিভীষিকা স্মৃতি দিৱস। এই দিনটোত ১৯৪৭ চনত ভাৰত বিভাজনৰ সময়ত অমানৱীয় দুখ আৰু কষ্ট ভোগা লোকসকলক স্মৰণ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত বিভাজনৰ ভয়াৱহতাত প্ৰভাৱিত আৰু ক্ষতিগ্ৰস্ত হোৱা অগণন লোকক স্মৰণ কৰে। তেওঁ কয় যে, আজি সেই লোকসকলৰ সাহসক শ্ৰদ্ধাঞ্জলি জনোৱাৰ দিন যিসকলে বিভাজনৰ দুখ আৰু কষ্ট সহিও পুনৰ জীৱন যাপন কৰিবলৈ সক্ষম হৈছে। ইয়াৰোপৰি প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ ঐক্য আৰু ভাতৃত্ববোধৰ বান্ধোন ৰক্ষাৰ বাবে জাতিৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০

জম্মু কাশ্মীৰৰ ড'দা জিলাত আজি সন্ত্ৰাসবাদীৰ সৈতে হোৱা সংঘৰ্ষত সেনা বাহিনীৰ এজন কেপ্তেইন শ্বহিদ হৈছে। এই সংঘৰ্ষত  ৪ জন সন্ত্ৰাসবাদীও নিহত হৈছে। আমাৰ সংবাদদাতাই স্বাধীনতা দিৱসৰ এদিন পূৰ্বে সংঘটিত এই সংঘৰ্ষত এগৰাকী অসামৰিক লোক আহত হৈছে বুলি জনাইছে। সুৰক্ষা বাহিনীয়ে ড'দা জিলাৰ শিৱগড়-অচ্ছাৰ এলেকাত কেইজনমান সন্ত্ৰাসবাদী আত্মগোপন কৰি থকা বুলি সন্দেহ লাভ কৰাৰ পাছত কালি এলেকাটো ঘেৰি লয়। অভিযানৰ সময়ত এলেকাটোত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে সুৰক্ষা বাহিনীৰ লোকক লক্ষ্য কৰি গুলিবৰ্ষণ কৰে। ফলত দুয়োপক্ষৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। এই সংঘৰ্ষত দীপক সিং নামৰ সেনা বাহিনীৰ এজন যুৱ কেপ্তেইন গুৰুতৰভাৱে আহত হয়। তেওঁক ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইপিনে, সংঘৰ্ষস্থলীৰ পৰা ৪ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। মৃতদেহকেইটা সন্ত্ৰাসবাদীৰ বুলি সন্দেহ কৰা হৈছে।

০০০

বিজেপিয়ে তৃণমূল কংগ্ৰেছৰ সভাপতি তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কোলকাতাত সংঘটিত এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ সৈতে জড়িত অপৰাধীসকলক ৰক্ষণাবেক্ষণ দিয়া বুলি অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত দলৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই কয় যে মুখ্যমন্ত্ৰীগৰাকীয়ে এই গোচৰৰ সৈতে জড়িত দুস্কৃতিকাৰীসকলক ৰক্ষণাবেক্ষণ দিয়াৰ চেষ্টা চলাইছে। কলিকতা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে গোচৰটো চিবিআইলৈ হস্তান্তৰ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীভাটিয়াই লগতে ৰাজ্য চৰকাৰে গোচৰটো চিবিআইলৈ হস্তান্তৰত বিলম্ব কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে। তেওঁ বিষয়টো লৈ মুখ্যমন্ত্ৰীৰ পদত্যাগৰ দাবী কৰিছে।

০০০

হকী ইণ্ডিয়াই কিংবদন্তি গ'লৰক্ষক পি আৰ শ্ৰীজেশে পৰিধান কৰা ১৬ নম্বৰ জাৰ্ছিটো পুনৰ ব্যৱহাৰ নকৰাৰ কথা ঘোষণা কৰিছে। সত্য সমাপ্ত পেৰিছ অলিম্পিকত দেশৰ বাবে একেৰাহে দ্বিতীয়টো ব্ৰঞ্জৰ পদক লাভ কৰা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা শ্ৰীজেশৰ অৱসৰৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। গ'লৰক্ষকগৰাকীৰ সন্মানাৰ্থে নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত হকী ইণ্ডিয়াৰ সাধাৰণ সম্পাদক ভোলানাথ সিঙে শ্ৰীজেশৰ জাৰ্ছিটো পুনৰ ব্যৱহাৰ নকৰাৰ সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰে। ৩৬ বছৰীয়া শ্ৰীজেশক ৰাষ্ট্ৰীয় জুনিয়ৰ

হকী দলৰ প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। অৱশ্যে জুনিয়ৰ দলত ১৬ নম্বৰ জাৰ্ছি ব্যৱহাৰ হৈ থাকিব আৰু শ্ৰীজেশে এই জাৰ্ছি পৰিধান কৰিবলগীয়া পৰৱৰ্তী শ্ৰীজেশক যাৱতীয় প্ৰশিক্ষণ প্ৰদান কৰিব।

০০০

**ঃঃ সমাপ্ত ঃঃ**